# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-05-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলন মুকলি কৰিব।

২। জে ডি ইউ সাংসদ সঞ্জয় ঝা নেতৃত্বাধীন এটা বহুদলীয় প্ৰতিনিধি দলে কালি টকিঅ'ত জাপানৰ বিদেশ মন্ত্ৰী টাকেশ্বি ইৱায়াক সাক্ষাৎ কৰে আৰু দেশখনক সন্ত্ৰাসবাদ বিৰোধী যুঁজত সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত আয়োজিত প্ৰতিৰক্ষা অলংকৰণ অনুষ্ঠানত সুৰক্ষা কৰ্মীসকলক সাহসিকতাৰ পুৰস্কাৰসমূহ প্ৰদান কৰে।

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে গুজৰাট টাইটানছক ৩৩ ৰানত পৰাস্ত কৰে।

*আৰু*

৫। ভাৰতীয় ফুটবল সংঘই নৌচাদ মুচাক পুৰুষৰ ২৩ বছৰ অনুৰ্ধ ৰাষ্ট্ৰীয় দলটোৰ মুখ্য প্ৰশিক্ষক হিচাপে নিযুক্তি দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলন মুকলি কৰিব। উত্তৰ-পূৰ্বাঞ্চলক সুযোগৰ ভূমি হিচাপে আলোকপাত কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় আৰু ঘৰুৱা বিনিয়োগ আকৰ্ষণ কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই দুদিনীয়া সন্মিলনত মন্ত্ৰী পৰ্যায়ৰ সত্ৰ, বৈঠক, ষ্টাৰ্ট আপ আৰু নীতি তথা বিনিয়োগত উদগনি যোগোৱাৰ বাবে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰ্যালয়ে গ্ৰহণ কৰা প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। এই সন্মিলনত ঘাইকৈ পৰ্যটন, আতিথ্য, কৃষি-খাদ্য প্ৰ-সংস্কৰণ আৰু আনুষংগিক খণ্ড, বস্ত্ৰ শিল্প, হস্ততাঁত, হস্তশিল্প, স্বাস্থ্য সেৱা, শিক্ষা আৰু দক্ষতা বিকাশ, তথ্য প্ৰযুক্তি, আন্তঃগাঁথনি, পৰিবহণ, শক্তি, মনোৰঞ্জন আৰু ক্ৰীড়া ক্ষেত্ৰৰ বিনিয়োগৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হ'ব।

এই দুদিনীয়া সন্মিলনেৰে পূৰ্বৰে পৰা অনুষ্ঠিত ৰোড শ্ব' আৰু ৰাজ্য চৰকাৰৰ সহযোগত কেন্দ্ৰীয় চৰকাৰে আয়োজন কৰা ৰাষ্ট্ৰদূতৰ বৈঠকৰো সামৰণি পৰিব।

ooooo

জে ডি ইউ সাংসদ সঞ্জয় ঝা নেতৃত্বাধীন এটা বহুদলীয় প্ৰতিনিধি দলে কালি টকিঅ'ত জাপানৰ বিদেশ মন্ত্ৰী টাকেশ্বি ইৱায়াক সাক্ষাৎ কৰে আৰু দেশখনক সন্ত্ৰাসবাদ বিৰোধী যুঁজত সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়। সাক্ষাৎ কালত শ্ৰীঝাই সন্ত্ৰাসবাদৰ  দৰে নিন্দনীয় কাৰ্যৰ ষড়যন্ত্ৰকাৰী, পৃষ্ঠপোষক আৰু এনে কাৰ্যৰ বাবে বিত্ত যোগান ধৰাসকলক জবাবদিহি কৰা আৰু তেওঁলোকক আইনৰ কাঠগড়ালৈ অনাত গুৰুত্ব আৰোপ কৰা ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ ২৫ এপ্ৰিলৰ বিবৃতি কাৰ্যকৰী কৰিবলৈ আহ্বান জনায়। সাক্ষাৎকালৰ আৰম্ভণিতে জাপানৰ বিদেশ মন্ত্ৰী ইৱায়াই পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ বলি হোৱা লোকসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। তেওঁ কয়, যে সন্ত্ৰাসবাদক কোনো ৰূপতে ন্যায়সংগত বুলি ক'ব নোৱাৰি। সন্ত্ৰাসবাদ বিৰোধী যুঁজত জাপান, ভাৰত আৰু বিশ্বৰ সৈতে আছে বুলি বিদেশ মন্ত্ৰী গৰাকীয়ে মন্তব্য কৰে। আমাৰ সংবাদদাতাই জনাইছে যে, সাক্ষাৎকালত ভাৰতে পেহেলগাম আক্ৰমণ জম্মু-কাশ্মীৰৰ উন্নয়ন আৰু শান্তি বিঘ্নিত কৰাৰ প্ৰয়াস আছিল বুলি  জাপানক অৱগত কৰে।

ইপিনে, শিৱসেনাৰ সাংসদ ডাঃ শ্ৰীকান্ত সিন্দে নেতৃত্বাধীন আন এটা বহুদলীয় প্ৰতিনিধি দল কালি আবু ধাবিত উপস্থিত হয়। সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ইউ এ ই এই দলটোৰ চাৰিদেশীয় কূটনৈতিক যাত্ৰাৰ প্ৰথমটো গন্তব্য স্থল। প্ৰতিনিধি দলটোৱে কালি ইউ এ ইৰ নেতৃবৰ্গ আৰু সংবাদ মাধ্যমৰ সৈতে বৈঠকত মিলিত হয় আৰু অপাৰেছন সিন্দূৰৰ গুৰুত্বৰ বিষয়ে অৱগত কৰে। তেওঁলোকে লগতে সীমান্তৰে চলোৱা সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ দৃঢ় স্থিতিৰ বিষয়েও অৱগত কৰে। প্ৰতিনিধি দলটোৱে কালি দেশখনৰ সহিষ্ণুতা আৰু সহাৱস্থান দপ্তৰৰ মন্ত্ৰী শ্বেখ নাহ্য়ান মোবাৰক অল নাহ্য়ানক সাক্ষাৎ কৰে। সাক্ষাৎকালত প্ৰতিনিধি দলটোৱে সীমান্তৰে চলোৱা সন্ত্ৰাসবাদ আৰু পাকিস্তানে সামাজিক সম্ভাৰ বিনষ্ট কৰাৰ বাবে চলোৱা প্ৰয়াসৰ বিষয়ে মন্ত্ৰীগৰাকীয়ে জনায়। শ্ৰীনাহ্য়ানে কয়, যে ভাৰত আৰু ইউ এ ইয়ে লগ লৈ সন্ত্ৰাসবাদক নাশ কৰিব আৰু দেশখনে সন্ত্ৰাসবাদ বিৰোধী যুঁজত সদায় ভাৰতৰ সৈতে থিয় দিব। প্ৰতিনিধি দলটোৱে কালি যুক্তৰাষ্ট্ৰীয় ৰাষ্ট্ৰীয় পৰিষদৰ প্ৰতিৰক্ষা, অভ্যন্তৰীন আৰু বিদেশ পৰিক্ৰমা কমিটীৰ অধ্যক্ষ ডং আলি ৰছিদ অল নুমী আৰু অন্য জ্যেষ্ঠ সাংসদসকলৰ সৈতেও গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। আলোচনাকালত ডং নুমীয়ে কয়, যে সন্ত্ৰাসবাদ সমগ্ৰ মানৱ জাতিৰ পৰিপন্থী আৰু আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে ইয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

ইফালে, পাকিস্তানৰ পৃষ্ঠপোষকতা প্ৰাপ্ত সন্ত্ৰাসবাদৰ স্বৰূপ উদঙাই দিয়াৰ উদ্দেশ্যে ডি এম কেৰ সাংসদ কানিমোঝি কৰুণানিধিৰ নেতৃত্বত তৃতীয়টো প্ৰতিনিধি দল স্পেইন, গ্ৰীচ, শ্ল'ভেনিয়া, লাট্ভিয়া আৰু ৰাছিয়া ভ্ৰমণসূচীৰে কালি ৰাওনা হয়। ৰাওনা হোৱাৰ পূৰ্বে কানিমোঝি কৰুণানিধিয়ে কয়, যে সন্ত্ৰাসবাদৰ বাবে যে ভাৰতৰ নিৰীহ জনসাধাৰণৰ প্ৰাণ নাশ হৈছে আৰু বিশ্বৰ কোনো দেশে এই বিভীষিকাৰ বিৰুদ্ধে যে মৌন হৈ থাকিব নিবিচাৰে সেই বিষয়ে অৱগত কৰোৱাই এই ভ্ৰমণৰ মূল উদ্দেশ্যে। তেওঁ কয়, যে সকলোৱে সন্ত্ৰাবাদৰ বিৰুদ্ধে যুঁজিবলৈ মাৰ বান্ধি থিয় হোৱা উচিত। পাকিস্তানৰ স্বৰূপ উদঙাই দিয়াৰ বাবে গঠন কৰা ৭টা বহুদলীয় প্ৰতিনিধি দলৰ বাকী চাৰিটা দল শীঘ্ৰে ভিন ভিন দেশলৈ বুলিও ৰাওনা হ'ব।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰে ইউৰোপৰ বাৰ্লিনত কালি ভাৰতীয় ৰাষ্ট্ৰদূতসকলৰ আঞ্চলিক সন্মিলনত সভাপতিত্ব কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ডং জয়শংকৰে কয়, যে তেওঁলোকে অপাৰেছন সিন্দূৰ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ বিষযে আলোচনা কৰে। বৈঠকত ইউৰোপৰ সৈতে অধিক শক্তিশালীভাৱে কেনেদৰে সংযুক্ত হ'ব পাৰি তাৰ বিভিন্ন দিশ সম্পৰ্কেও আলোচনা কৰা হয়।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত আয়োজিত প্ৰতিৰক্ষা অলংকৰণ অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত সশস্ত্ৰ বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ আৰক্ষী বাহিনীৰ জোৱানক সাহসিকতাৰ পুৰস্কাৰ প্ৰদান কৰে। ইয়াৰ ভিতৰত ৬টা কীৰ্তি চক্ৰ আৰু ৩৩টা শৌৰ্য চক্ৰ আছে। ৰাইফল মেন ৰবি কুমাৰ, কৰ্ণেল মনপ্ৰীত সিং, উপ আৰক্ষী অধীক্ষক হিমায়ুন মোজুম্মিল ভট্ট আৰু নায়ক দিলৱাৰ খানক মৰণোত্তৰভাৱে কীৰ্তি চক্ৰৰে সন্মানিত কৰা হয়। একেদৰে মাৰাথা লাইট ইফেনট্ৰিৰ মেজৰ মল্লাৰাম গোপাল নাইডু আৰু পাঞ্জাৱ ৰেজিমেণ্টৰ মেজৰ মনজিতক কীৰ্তি চক্ৰৰে বিভূষিত কৰা হয়। মেজৰ আৰিশ ধোন্‌চক, চিপাহী প্ৰদীপ সিং, হাবিলদাৰ ৰোহিত কুমাৰ, কনিষ্টবল পৱণ কুমাৰ, কনিষ্টবল দেৱেন চি, বিজয়ন কুট্টি জি আৰু কেপ্টেইন দীপক সিংসহ ৭ গৰাকী সাহসীকৰ্মীক তেওঁলোকৰ অদ্যম সাহস আৰু কৰ্তব্য পালনত কৰা চৰম বলিদানৰ বাবে মৰণোত্তৰভাৱে শৌৰ্য চক্ৰৰে সন্মানিত কৰা হয়। অনুষ্ঠানত উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

বৈদেশিক সচিব বিক্ৰম মিশ্ৰী কালি জাপান চৰকাৰৰ উচ্চ পদস্থ বিষয়াসকলক সাক্ষাৎ কৰাৰ উদ্দেশ্যে টকিঅ'ত উপস্থিত হয়। জাপানৰ উপ বৈদেশিক মন্ত্ৰী টাকিহিৰ' ফুনাক'শ্বিৰ সৈতে হোৱা বৈঠকত দুয়ো পক্ষই ভাৰত আৰু জাপানৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ লগতে ৰাজনৈতিক সম্পৰ্ক, প্ৰতিৰক্ষা আৰু সুৰক্ষা, অৰ্থনৈতিক সহযোগিতা তথা জনসাধাৰণ মাজত আদান-প্ৰদানৰ বিষয়ে পৰ্যালোচনা কৰে। তেওঁলোকে সাম্প্ৰতিক গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰতো মত-বিনিময় কৰে।

বৈদেশিক সচিবগৰাকীয়ে জাপানৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা মাচাটাকা অ'কান' আৰু বিদেশ মন্ত্ৰ্যালয়ৰ জ্যেষ্ঠ উপ মন্ত্ৰী হিৰ'য়ুকি নামাজুৰ সৈতেও বৈঠকত মিলিত হৈ পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ওপৰত আলোচনা কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতি যোগে জনাইছে, যে এই ভ্ৰমণৰ সময়ত বৈদেশিক সচিবগৰাকীয়ে ৰাইচিনা টকিঅ' আলোচনাৰ দ্বিতীয় সংস্কৰণতো ভাষণ দিয়ে।

উল্লেখযোগ্য যে, এই ভ্ৰমণ হৈছে ভাৰত-জাপান বিশেষ কৌশলগত আৰু গোলকীয় অংশীদাৰিত্ব অধিক গভীৰ কৰাৰ বাবে দুয়োপক্ষৰ মাজত নিয়মীয়াকৈ চলি থকা যোগাযোগৰ অংশ। বৈদেশিক সচিবগৰাকীয়ে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত জাপানৰ চৰকাৰ আৰু জনসাধাৰণে ভাৰতৰ প্ৰতি আগবঢ়োৱা সমৰ্থনৰ শলাগ লয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে গুজৰাট টাইটানছক ৩৩ ৰানত পৰাস্ত কৰে। খেলখনত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেট হেৰুৱাই ২৩৫ ৰান সংগ্ৰহ কৰে। লক্ষ্ণৌৰ হৈ মিছেল মাৰ্শ্বে ৬৪টা বলত ১১৭ ৰান কৰে আৰু নিকোলাচ পূৰণে ২৭টা বলত ৫৬ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰত্যুত্তৰত গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ২০২ ৰানহে কৰিবলৈ সমৰ্থ হয়। মিছেল মাৰ্শ্বক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰু ছানৰাইজাৰ্চ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতৰ পুৰুষৰ ২৩ বছৰ অনুৰ্ধ ৰাষ্ট্ৰীয় ফুটবল দলৰ মুখ্য প্ৰশিক্ষক নৌচাদ মুচাই কালি তাজিকিস্তান আৰু কিৰ্গিস্তানৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় প্ৰীতি খেলত ভাগ ল'বলগীয়া ২৯ জনীয়া দলটো ঘোষণা কৰিছে। ভাৰতীয় দলটোৱে অহা ১৮ জুনত তাজিকিস্তান আৰু ২১ জুনত কিৰ্গিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অহা ১৬ জুনত তাজিকিস্তানৰ দুচানবেলৈ যাত্ৰা কৰাৰ পূৰ্বে দলটোৱে ১ জুনৰ পৰা কলকাতাত অনুষ্ঠিত হ'বলগীয়া এটা শিবিৰত অংশগ্ৰহণ কৰিব। চলিত বৰ্ষৰ শেষৰফালে অনুষ্ঠিত হ'বলগীয়া ২৩ বছৰ অনুৰ্ধ এ এফ চি এছিয়ান কাপ যোগ্যতা নিৰূপণকাৰী খেল আৰু ২০২৬ চনৰ জাপান এছিয়ান গেমচৰ প্ৰস্তুতিৰ অংশ হিচাপে ভাৰতে এই খেলসমূহত অংশগ্ৰহণ কৰিব। ভাৰতীয় ফুটবল সংঘই নৌচাদ মুচাক পুৰুষৰ ২৩ বছৰ অনুৰ্ধ ৰাষ্ট্ৰীয় দলটোৰ মুখ্য প্ৰশিক্ষক হিচাপে নিযুক্তি দিছে।

ooooo

**সমাপ্ত**